**অসম বিধান সভা**
**তৰা বিহীন প্ৰশ্ন নং : ১৪১**
**উত্তৰ দানৰ তাৰিখ : ০৮/০৭/২০২৬**

বিষয় : গাঁৱৰ ভিতৰুৱা পথসমূহ নিৰ্মাণ সন্দৰ্ভত

বিধায়ক : শ্ৰীচক্ৰধৰ গগৈ :

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পঞ্চায়তলৈ অহা 15th বা 16th বিত্তীয় আয়োগ বা VB-GRAMG আঁচনিৰ ধনেৰে গ্ৰাম্য এলেকাত সিঁচৰতি হৈ থকা ভিতৰুৱা পথ সমূহ নিৰ্মাণৰ কিবা ব্যৱস্থা আছেনে ? যদি আছে , কাৰ্য্যকৰী কৰণৰ বাবে কি ব্যৱস্থা হাতত লৈছে জনাব ।

(খ) এই নিৰ্মাণ কাৰ্য্য কিভাৱে কৰা হয়, শিললীকৰণ নে পেভাৰ ব্লক দিয়া হয় ? পেভাৰ ব্লক হলে প্ৰতি ১০০ মিটাৰত কিমান টকা আৰু শিললীকৰণ হলে প্ৰতি ১০০ মিটাৰত কিমান টকা নিৰ্ধাৰণ কৰা হয় জনাব ।

**উত্তৰ**

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা দেৱে উত্তৰ দিব:

(ক) পঞ্চায়তলৈ অহা 15th বা 16th বিত্তীয় আয়োগৰ আঁচনিৰ ধনেৰে গ্ৰাম্য এলেকাত সিঁচৰতি হৈ থকা ভিতৰুৱা পথ সমূহ নিৰ্মাণৰ ব্যৱস্থা আছে। 15th বিত্তীয় আয়োগৰ অধীনত গ্ৰাম্যাঞ্চলৰ পথসমূহ Untied Fundৰ অধীনত, অগ্ৰাধিকাৰ ভিত্তিত নিৰ্মাণ কৰাৰ ব্যৱস্থা আছে আৰু 16th বিত্তীয় আয়োগৰ অধীনত Untied Fundৰ 20% লৈকে ধন ৰাশি পথ নিৰ্মাণ কাৰ্য্য আৰু মেৰামতিৰ কৰাৰ বাবে ধাৰ্য্য কৰাৰ ব্যৱস্থা আছে।

কোনো গাঁও পঞ্চায়তত পথ নিৰ্মাণৰ প্ৰয়োজন হলে সেই পথৰ নাম Gaon Panchayat Development Plan ত গাঁও সভাৰ অনুমোদনৰ জৰিয়তে অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা আছে।

VB-GRAM-G ৰ আঁচনি খনৰ মূলত: চাৰিটা প্ৰকাৰৰ কামৰ ভিতৰত দ্বিতীয়টো কাম হল মুখ্য গ্ৰাম্য আন্ত:গাঠনি নিৰ্মাণ। ইয়াৰ অধীনত গ্ৰাম্যাঞ্চলৰ পথসমূহ অগ্ৰাধিকাৰ ভিত্তিত নিৰ্মাণ কৰাৰ ব্যৱস্থা আছে।

কোনো গাঁও পঞ্চায়তত পথ নিৰ্মাণৰ প্ৰয়োজন হলে সেই পথৰ নাম VIKSIT GRAM PANCHAYAT PLAN (VGPP) ত গাঁও সভাৰ জৰিয়তে অন্তৰ্ভুক্ত হব লাগিব। VB-GRAM-G ৰ নিয়ম অনুসৰি যি কোনো কাম, বিভিন্ন চৰকাৰী আঁচনি অথবা বিভাগৰ সৈতে সমন্বিত ভাৱে অথবা এককভাৱে ৰূপায়ন কৰিব পাৰি। সেয়ে 15th বা 16th বিত্তীয় আয়োগৰ পুঁজি আৰু VB-GRAM-G ৰ পুঁজিৰ সমন্বিতে গ্ৰাম্য পথ নিৰ্মাণ কৰাৰ ব্যৱস্থা আছে।

(খ) 15th বা 16th বিত্তীয় আয়োগৰ আঁচনিৰ অধীনত পথ নিৰ্মাণ কাৰ্য্য শিললীকৰণ আৰু পেভাৰ ব্লক দুয়ো প্ৰকাৰেই কৰিব পাৰি । আঁচনিৰ স্থায়িত্বৰ ওপৰত বিবেচনা কৰি মুখ্যভাৱে Paver Block ৰ পথ নিৰ্মাণ কৰাত গুৰুত্ব প্ৰদান কৰা হয়।পথ নিৰ্মাণৰ আনুমানিক ব্যয় নিৰ্ভৰ কৰিব উক্ত স্থানৰ অৱস্থা, ভূমিৰ প্ৰকৃতি, স্থানীয়ভাৱে উপলব্ধ নিৰ্মাণ সামগ্ৰী আদিৰ ওপৰত ।ইয়াৰ বাবে গাঁও পঞ্চায়তৰ সংশ্লিষ্ট কাৰিকৰী বিষয়াই স্থান পৰিদৰ্শন কৰি বিভাগৰ জৰিয়তে প্ৰাককলন প্ৰস্তুত কৰিব আৰু ক্ৰমাগত ভাৱে কাৰিকৰী আৰু প্ৰশাসনিক অনুমোদন প্ৰদান কৰি Construction Committeeৰ জৰিয়তে ৰূপায়ন কৰা হয়।

VB-GRAM-G ৰ আঁচনিৰ অধীনত পথনিৰ্মাণ কাৰ্য্য শিললীকৰণ আৰু পেভাৰ ব্লক দুয়ো প্ৰকাৰেই কৰিব পাৰি । আঁচনিৰ স্থায়িত্বৰ ওপৰত বিবেচনা কৰি মুখ্যভাৱে Paver Block ৰ পথ নিৰ্মাণ কৰাত গুৰুত্ব প্ৰদান কৰা হব।পথ নিৰ্মাণৰ আনুমানিক ব্যয় নিৰ্ভৰ কৰিব উক্ত স্থানৰ অৱস্থা, ভূমিৰ প্ৰকৃতি, স্থানীয়ভাৱে উপলব্ধ নিৰ্মাণ সামগ্ৰী আদিৰ ওপৰত ।ইয়াৰ বাবে গাঁও পঞ্চায়তৰ সংশ্লিষ্ঠ কাৰিকৰী বিষয়াই স্থান পৰিদৰ্শন কৰি বিভাগৰ SECURE Soft ৰ জৰিয়তে প্ৰাককলন প্ৰস্তত কৰিব আৰু ক্ৰমাগত ভাৱে কাৰিকৰী আৰু প্ৰশাসনিক অনুমোদন প্ৰদান কৰি ৰূপায়ন কৰা হয়।

**(Replies have been uploaded in the website "www. cms.neva.gov.in")**